**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
***----------------------------***

০০০০০০০

## HEADLINE

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ্ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোৰ সৈতে মত বিনিময় কৰি দেশলৈ তেওঁলোকে গৌৰৱ কঢ়িয়াই আনিব বুলি গভীৰ আস্থা প্ৰকাশ কৰে।

২। ভাৰতে ২০২৩-২৪ বৰ্ষত প্ৰতিৰক্ষা উৎপাদন মূল্য ১৬ দশমিক ৮ শতাংশ বৃদ্ধিৰে প্ৰায় ১ লাখ ২৬ হাজাৰ ৮৮৭ কোটিৰ সৰ্বকালৰ সৰ্বাধিক বৃদ্ধিত উপনীত হৈছে।

৩। নেৰানেপেৰা বৰষুণৰ ফলত অসমৰ বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে।

৪। বৃটেইনৰ সংসদীয় নিৰ্বাচনত লেবাৰ পাৰ্টীয়ে বিপুল বিজয় সাব্যস্ত কৰিছে। দলৰ নেতা **কিৰ ষ্টাৰমাৰ** বৃটেইনৰ পৰবৰ্তী প্ৰধানমন্ত্ৰী হ'ব।

**আৰু**

৫। ক'পা আমেৰিকা-২০২৪ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত আৰ্জেণ্টিনাই ইকুৱেড'ৰক পেনাল্টি চুট আউটৰ সহায়ত ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ্ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোৰ সৈতে মত বিনিময় কৰি এই দলটোৱে দেশলৈ গৌৰৱ কঢ়ি যাই আনিব বুলি গভীৰ আস্থা প্ৰকাশ কৰে। তেওঁ কয় যে অলিম্পিক কেৱল জিকিবৰ বাবেই নহয় শিকিবলৈও এক ডাঙৰ মঞ্চ। সকলো অজুহাত তথা অভিযোগ আতৰাই ৰাখি আগবাঢ়ি যাবলৈ আৰু জয়ী হ'বলৈ দৃঢ় সংকল্প থাকিব লাগে। ক্ৰীড়াৰ ক্ষেত্ৰখনত অনুশীলন আৰু সময়ানুবৰ্তিতা গুৰুত্বৰ লগতে ভাল টোপনিৰ ওপৰতো গুৰুত্ব দিবলৈ শ্ৰীমোদীয়ে দৃঢ়তাৰে আহ্বান জনায়। তেওঁ কয় অলিম্পিক দক্ষতাৰ খেল। সেয়ে প্ৰতিভা, অনুশীলন আৰু সময়ানুবৰ্তিতাৰ ওপৰত বিশ্বাস ৰখাৰ লগতে বিজয়ৰ বাবে মনোযোগ আৰু ইতিবাচক দৃষ্টিভংগী অতি গুৰুত্বপূৰ্ণ। সতিৰ্থসকলে এইবাৰ সকলো পুৰণি অভিলেখ ভংগ কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে নিশ্চিত অনুভৱ কৰে। শ্ৰীমোদীয়ে খেলুৱৈসকলৰ কঠোৰ পৰিশ্ৰমৰ প্ৰশংসা কৰে আৰু দেশৰ বাবে কিবা এটা কৰাৰ এই সুযোগৰ কথা তেওঁলোকক মনত পেলাই দিয়ে।

এইবাৰ চৰকাৰে ভাৰতীয় খেলুৱৈসকলৰ সংযোগ সহজ কৰি তুলিবলৈ পেৰিছত ভাৰতীয় সম্প্ৰদায়ক সক্ৰিয় কৰাৰ প্ৰয়াস কৰিছে। শ্ৰীমোদীয়ে কয় যে ভাৰতে ২০৩৬ চনৰ অলিম্পিক আয়োজন কৰিব বুলি আশা কৰিছে আৰু

এই দিশত বিশেষকৈ আন্তঃগাঠনি উন্নয়নৰ ক্ষেত্ৰত নিৰন্তৰ প্ৰচেষ্টা চলাই থকা হৈছে। ইয়াৰ পূৰ্বে সামাজিক মাধ্যমৰ এটা পষ্টত শ্ৰীমোদীয়ে ভাৰতীয় খেলুৱৈসকলে তেওঁলোকৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰি দেশক গৌৰৱান্বিত্ব  কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় খেলুৱৈসকলৰ জীৱন যাত্ৰা আৰু সফলতাই ১৪০ কোটি ভাৰতীয়ক আশা প্ৰদান কৰে।

০০০০০

ভাৰতে ২০২৩-২৪ বৰ্ষত প্ৰতিৰক্ষা উৎপাদন মূল্য সৰ্বকালৰ সৰ্বাধিক বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। বিগত বিত্তীয় বৰ্ষৰ তুলনাত ১৬ দশমিক ৮ শতাংশ বৃদ্ধি হৈ এই মূল্য প্ৰায় ১ লাখ ২৬ হাজাৰ ৮৮৭ কোটি হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে প্ৰকাশ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে **মেক ইন ইণ্ডিয়া** কাৰ্যসূচীয়ে এতিয়া বছৰে প্ৰতি নতুন নতুন মাইলৰ খুটি প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি ২০২৩-২৪ বৰ্ষত প্ৰতিৰক্ষা ৰাজহুৱা উদ্যোগ খণ্ডৰ লগতে অন্যান্য ৰাজহুৱা উদ্যোগ খণ্ডৰ উৎপাদনৰ সৰ্বমুঠ মূল্য আছিল ৭৯ দশমিক ২ শতাংশ। ইপিনে ব্যক্তিগত খণ্ডৰ জৰিয়তে হোৱা উৎপাদনৰ মূল্য আছিল ২০ দশমিক ৮শতাংশ। শ্ৰীসিঙে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু প্ৰতিৰক্ষা সামগ্ৰীৰ নিৰ্মাণ কৰা অনান্য ৰাজহুৱা খণ্ডৰ উদ্যোগ তথা ব্যক্তিগত উদ্যোগসমূহকো ইয়াৰ বাবে অভিনন্দন জনায়। তেওঁ কয় যে চৰকাৰ ভাৰতক গোলকীয় প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণৰ মূল কেন্দ্ৰ হিচাপে বিকশাই তোলাৰ ক্ষেত্ৰত অনুকূল পৰিবেশ গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। মন্ত্ৰ্যালয়ে লগতে কয় যে নীতি নিয়মসমূহৰ সংস্কাৰ আৰু ব্যৱসায়ৰ সূচলতাৰ লগতে থলুৱা প্ৰচেষ্টা তথা প্ৰতিৰক্ষা ৰপ্তানি আদিয়ে বিকাশৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিৰক্ষা উৎপাদন বৃদ্ধি হৈ সৰ্বকালৰ সৰ্বাধিক স্তৰত উপনীত হোৱাৰ বাবে সমগ্ৰ দেশকে প্ৰশংসা কৰিছে।

০০০০০

ওড়িষাৰ পুৰীত প্ৰভু জগন্নাথ, বলোভদ্ৰ আৰু সুভদ্ৰা বিশ্বপ্ৰসিদ্ধ ৰথ যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অহা দেওবাৰে আৰম্ভ হ'বলগীয়া এই ব্যাপক বাৰ্ষিক উৎসৱ নিয়াৰিকৈ আৰু সফলতাৰে সম্পন্ন কৰাৰ বাবে নিৰীক্ষণ অন্তিম পৰ্যায়ত উপনীত হৈছে। দেওবাৰে উদযাপন হ'বলগীয়া উৎসৱৰ মূল কাৰ্যসূচী নৱযৌৱন দৰ্শন, নেত্ৰ উৎসৱ, গুণ্ডীচা যাত্ৰাৰ সকলো নীতি-নিয়ম সময়মতে সফলতাৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সকলো পক্ষকে সহযোগিতা আগবঢ়াবলৈ শ্ৰীজগন্নাথ মন্দিৰ প্ৰশাসনে আহ্বান জনাইছে। উড়িষা চৰকাৰে এই উপলক্ষে অহা ৭ আৰু ৮ জুলাইত ৰাজ্যখনত দুদিনীয়া বন্ধ ঘোষণা কৰিছে। উল্লেখযোগ্য যে ৫৩ বছৰৰ পাছত এই ৰথ যাত্ৰা দুদিনীয়া কাৰ্যসূচীৰে পালন কৰাৰ বাবে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰেও ৰাজ্যপাল ৰঘুবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝী আৰু অনান্য প্ৰতিনিধিসকলৰ সৈতে এইবাৰ ৰথযাত্ৰাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰথযাত্ৰাৰ সময়ছোৱাত কোনো লোকক মন্দিৰত প্ৰবেশৰ অনুমতি নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰশাসনে ৰথযাত্ৰাৰ সময়ত শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে মহিলাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে ভাৰতীয়  ৰে'ল বিভাগে ৰথযাত্ৰা উপলক্ষে পুৰী ভ্ৰহমণৰ উদ্দেশ্যে ৩১৫খন বিশেষ ৰে'ল চলাচলৰ বিষয়ে ঘোষণা কৰিছে।

০০০০০০০

নেৰানেপেৰা বৰষুণৰ ফলত অসমৰ বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। এই বানত ২৯ খন জিলাৰ ২১ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যপাল শ্ৰীগুলাব চান্দ কাটাৰীয়াই ইতিমধ্যে বানত অত্যাধিক

ক্ষতিগ্ৰস্ত মৰিগাঁও জিলা ভ্ৰমণ কৰে আৰু বানত আক্ৰান্ত লোকসকলৰ সৈতে বাৰ্তালাপ কৰে। বানৰ ফলত জিলাখনত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে তেওঁ জিলা প্ৰশাসনক ক্ষতিগ্ৰস্ত লোকসকলৰ সুবিধাৰ্থে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। ইফালে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলা পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। তেওঁ কালি মাজুলী, ধেমাজি আৰু লখিমপুৰৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি জিলা প্ৰশাসনক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

বিগত ২৪ ঘণ্টাত ৬ গৰাকীতকৈও অধিক লোকৰ মৃত্যু হোৱাত ৰাজ্যখনৰ বানত এতিয়ালৈ মৃত্যুৰ সংখ্যা ৫২ লৈ বৃদ্ধি পাইছে। ৰাজ্যৰ ১০৭টা ৰাজহচক্ৰৰ অধীনৰ তিনি হাজাৰ ২০০ খন গাঁৱৰ ৫৭ হাজাৰ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰ, বৰাকৰ লগতে সকলো উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। এই বানত বিগত ২৪ ঘণ্টাত ১৪৫টা পথ, ১৩টা মথাউৰি আৰু দুখন দলং ক্ষতিগ্ৰস্ত হৈছে। ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু চুবুৰীয়া অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ সতৰ্কবাণী জাৰি কৰিছে। অসমত ৰাজ্য চৰকাৰে বিভিন্ন স্থানত ইতিমধ্যে ৪৫১টা সাহায্য বিতৰণ কেন্দ্ৰৰ লগতে ২৪৭টা সাহায্য কেন্দ্ৰ মুকলি কৰিছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে ৰাজ্যখনত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টীৰ ঝাৰখণ্ডৰ প্ৰভাৰী শিৱৰাজ সিং চৌহানে ৰাজ্যখনত দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী সলনি কৰাৰ বাবে ঝাৰখণ্ড মুক্তি মৰ্চাক তীব্ৰ সমালোচনা কৰিছে। হেমন্ত চোৰেণৰ মন্তব্যৰ প্ৰত্যুত্তৰ দি শ্ৰী চৌহানে বিজেপিয়ে কাকো হাৰাশাস্তি নকৰে বা ৰক্ষা নকৰে বুলি মন্তব্য কৰি অনুসন্ধানকাৰী সংস্থাসমূহে স্বাধীনভাৱে কাম কৰে বুলি গুৰুত্ব আৰোপ কৰে।

ৰাঁচীত সাংবাদিকৰ সৈতে কথা-বাৰ্তাত তেওঁ কয় যে হেমন্ত চোৰেণ মুখ্যমন্ত্ৰী হোৱাটো অত্যাধিক স্বজন তোষণ আৰু ক্ষমতা লোভৰ এক উদাহৰণ।

০০০০০

বৃটেইনৰ সংসদীয় নিৰ্বাচনত লেবাৰ পাৰ্টীয়ে বিপুল বিজয় সাব্যস্ত কৰিছে। দলৰ নেতা **কিৰ ষ্টাৰমাৰ** কনজাৰভেটিভ দলৰ **ৰিছি ছুনক**'ক পৰাস্ত কৰি বৃটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী হ'ব। এটা দশকতকৈও অধিক কাল বিৰোধী পক্ষত থকাৰ পাছত লেবাৰ পাৰ্টী ক্ষমতালৈ আহিছে। শেহতীয়া তথ্য অনুসৰি লেবাৰ পাৰ্টীয়ে ৬৫০ খন আসনৰ ভিতৰত ৪১০ খন আসনতেই জয়লাভ কৰিছে আৰু ভোটগণনা এতিয়াও অব্যাহত আছে। জয়লাভ কৰাৰ পাছত দিয়া ভাষণত ৬১ বছৰীয়া ষ্টাৰমাৰে কয় যে জনসাধাৰণে পৰিৱৰ্তন বিচাৰি ভোটদান কৰিছে আৰু এতিয়া পৰিৱৰ্তন আৰম্ভ হ'ল। বৃটিছ প্ৰধানমন্ত্ৰী ৰিছি ছুন'কে পৰাজয়ৰ দায়িত্ব স্বীকাৰ কৰি কয় যে বৃটিছ জনসাধাৰণে গম্ভীৰ ৰায়দান কৰিছে আৰু ইয়াৰ পৰা যথেষ্ট শিকিবলগীয়া আছে।

০০০০০

ক'পা আমেৰিকা-২০২৪ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত আৰ্জেণ্টিনাই ইকুৱেড'ৰক পেনাল্টি চুট আউটৰ সহায়ত ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। এইবাৰ একেৰাহে পঞ্চমবাৰৰ বাবে আৰ্জেণ্টিনাই

ছেমিফাইনেলত প্ৰবেশ কৰিছে। কানাডা আৰু ভেনেজুৱেলাৰ মাজত আজি অনুষ্ঠিত খেলখনত বিজয়ী দলটোৰ সৈতে এতিয়া আৰ্জেণ্টিনা ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। অহা ৯ জুলাইত নিউ জাৰ্চীৰ ইষ্ট ৰাৰ্ডাৰফৰ্ডৰ মেট লাইফ ষ্টেডিয়ামত ছেমিফাইনেল খেলখন অনুষ্ঠিত হ'ব।

0000000

সমাপ্ত